অসম

এনকাউণ্টাৰ দুইজন হত্যাকাৰীক । দুলীয়াজানৰ লীয়াজানৰ ট্ৰিপল মাৰ্ডাৰ কেছ্

প্ৰকাশ: ২৫ নৱেম্বৰ ২০২৬, পুৱা ১০:৫৫



(Abhijit Biswas)

দুলীয়াজান ট্ৰিপল হত্যাকাণ্ডৰ দুয়োটা মূল অভিযুক্তক আৰক্ষীৰ এনকাউণ্টাৰ! গুলী লাগি আহত ৰাজু দাস আৰু আমিৰ দাস, দুজন আৰক্ষী কৰ্মীও আহত। ঘটনাস্থলীৰ পৰা এটা খালী কাৰ্টুজো উদ্ধাৰ। হত্যাকাণ্ডৰ পিছৰে পৰা দুয়োটা অভিযুক্তৰ এনকাউণ্টাৰৰ দাবী উত্থাপন হৈ আছিল।

অসমৰ দুলীয়াজান কমলাবাৰীত সংঘটিত চাঞ্চল্যকৰ ট্ৰিপল মাৰ্ডাৰ কেছত এক ডাঙৰ মোৰ সন্মুখলৈ আহিছে। এই হত্যাকাণ্ডৰ দুয়োটা মূল অভিযুক্ত ৰাজু দাস আৰু আমিৰ দাস আৰক্ষীৰ এনকাউণ্টাৰত গুলী লাগি আহত হৈছে। আনহাতে, এই ঘটনাত দুজন আৰক্ষী কনিষ্টবলো আহত হৈছে। ইমানেই নহয়, এনকাউণ্টাৰৰ ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে এটা খালী কাৰ্টুজো উদ্ধাৰ কৰিছে।

প্ৰকৃততে, দুলীয়াজানত তিনিজন লোকক নিৰ্মমভাৱে হত্যা কৰাৰ পিছৰে পৰা সমগ্ৰ অঞ্চলটোত তীব্ৰ ক্ষোভ বিৰাজ কৰি আছিল। স্থানীয় ৰাইজৰ তৰফৰ পৰা দুয়োটা অভিযুক্তৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ লগতে এনকাউণ্টাৰৰ দাবীও ধাৰাবাহিকভাৱে উত্থাপন কৰা হৈছিল। অৱশেষত আৰক্ষীৰ এনকাউণ্টাৰত আহত হ'ল দুয়োটা মূল অভিযুক্ত।

প্ৰাপ্ত তথ্য অনুসৰি, যোৱা নিশা ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ সীমান্তত অৱস্থিত বালিজান চাহ বাগিচাৰ সমীপত এই এনকাউণ্টাৰ সংঘটিত হয়। আৰক্ষীয়ে দুয়োটা অভিযুক্তক হত্যাকাণ্ডত ব্যৱহৃত হাতুৰীটোৰ সন্ধানত লৈ গৈছিল। সেই সময়তে দুয়োটা অভিযুক্তই আৰক্ষীৰ জিম্মাৰ পৰা পলায়ন কৰাৰ চেষ্টা চলোৱাত আৰক্ষীয়ে গুলী চলাবলৈ বাধ্য হয়।

জানিব পৰা মতে, আৰক্ষীৰ ফালৰ পৰা মুঠ পাঁচ ৰাউণ্ড গুলী চলোৱা হয়, ইয়াৰে চাৰিটা গুলী দুয়োটা অভিযুক্তৰ ভৰিত লাগে। গুলী লাগি ৰাজু দাস আৰু আমিৰ দাস আহত হয়। ইয়াৰে আমিৰ দাসৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে।

এই ঘটনাত দুজন আৰক্ষী কনিষ্টবলো আহত হৈছে। দুয়োটা অভিযুক্তকে চিকিৎসাৰ বাবে ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত (AMCH) ভর্তি কৰোৱা হৈছে, য'ত তেওঁলোকৰ চিকিৎসা চলি আছে। আনহাতে, আহত আৰক্ষী কর্মী দুজনক দুলীয়াজানৰ অইল মেডিকেলত চিকিৎসা প্ৰদান কৰা হয়।

ইফালে, এনকাউণ্টাৰৰ পিছত ঘটনাস্থলীত তালাচী চলোৱাৰ সময়ত আৰক্ষীয়ে এটা খালী কাৰ্টুজো উদ্ধাৰ কৰিছে। এই উদ্ধাৰৰ পিছত ঘটনাস্থলীৰ সৈতে জড়িত তথ্য-প্ৰমাণ সংগ্ৰহৰ প্ৰক্ৰিয়াও তীব্ৰতৰ কৰি তোলা হৈছে।

উল্লেখযোগ্য যে ইয়াৰ পূৰ্বেও ডিব্ৰুগড় আৰক্ষীয়ে দুয়োটা অভিযুক্তক লগত লৈ তিনিচুকীয়াত তালাচী অভিযান চলাইছিল। সেই সময়ত আৰক্ষীয়ে কটাৰী, স্ক্ৰু-ড্ৰাইভাৰ, ছাতি আৰু কাপোৰকে ধৰি কেইবাবিধো সামগ্ৰী উদ্ধাৰ কৰিছিল। ইয়াৰ উপৰিও আৰক্ষীয়ে অভিযুক্তই হত্যাকাণ্ডৰ পিছত পলায়ন কৰিবলৈ ব্যৱহাৰ কৰা মটৰচাইকেলখনো পূৰ্বেই উদ্ধাৰ কৰিছিল।

বর্তমান এই এনকাউণ্টাৰৰ পিছত দুলীয়াজান ট্ৰিপল মার্ডাৰ কেছ পুনৰবাৰ চর্চালৈ আহিছে। এতিয়া আৰক্ষীয়ে হত্যাকাণ্ডত ব্যৱহৃত হাতুৰীটো উদ্ধাৰ কৰাৰ লগতে গোচৰটোৰ সৈতে জড়িত আন প্ৰমাণসমূহ সংগ্ৰহ কৰাত ব্যস্ত হৈ পৰিছে।

দুলীয়াজান ট্ৰিপল মার্ডাৰ কেছত আৰক্ষীৰ এই ডাঙৰ পদক্ষেপৰ পিছত এতিয়া পৰৱর্তী তদন্ত আৰু নতুন কি তথ্য পোহৰলৈ আহে, তাৰ ওপৰতে সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6063/enokauntar-duijon-hotyakarik-duliyajanor-liyajanor-tripol-mardar-kes